بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**আমি খিলাফতৰ সৈতে সম্পৰ্ক স্থাপন কৰা উচিত তথা খিলাফতৰ ব্যৱস্থাপনা প্ৰতিষ্ঠিত ৰখাৰ বাবে প্ৰত্যেক ধৰণৰ কোৰবাণী কৰাৰ বাবে প্ৰস্তুত থকা উচিত।**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৩০ মে ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) কৈছে যে

وَاَقْسَمُوْا بِاللّٰهِ جَهْدَ اَيْمَانِهِمْ لَئِنْ اَمَرْتَهُمْ لَيَخْرُجُنَّ ؕ قُلْ لَّا تُقْسِمُوْا ۚ طَاعَةٌ مَّعْرُوْفَةٌ ؕ اِنَّ اللّٰهَ خَبِيْرٌۢ بِمَا تَعْمَلُوْنَ ۝٥٤

قُلْ اَطِيْعُوا اللّٰهَ وَاَطِيْعُوا الرَّسُوْلَ ۚ فَاِنْ تَوَلَّوْا فَاِنَّمَا عَلَيْهِ مَا حُمِّلَ وَعَلَيْكُمْ مَّا حُمِّلْتُمْ ؕ وَاِنْ تُطِيْعُوْهُ تَهْتَدُوْا ؕ وَمَا عَلَى الرَّسُوْلِ اِلَّا الْبَلٰغُ الْمُبِيْنُ ۝٥٥

وَعَدَ اللّٰهُ الَّذِيْنَ اٰمَنُوْا مِنْكُمْ وَعَمِلُوا الصّٰلِحٰتِ لَيَسْتَخْلِفَنَّهُمْ فِى الْاَرْضِ كَمَا اسْتَخْلَفَ الَّذِيْنَ مِنْ قَبْلِهِمْ ۪ وَلَيُمَكِّنَنَّ لَهُمْ دِيْنَهُمُ الَّذِى ارْتَضٰى لَهُمْ وَلَيُبَدِّلَنَّهُمْ مِّنْۢ بَعْدِ خَوْفِهِمْ اَمْنًا ؕ يَعْبُدُوْنَنِىْ لَا يُشْرِكُوْنَ بِىْ شَيْئًا ؕ وَمَنْ كَفَرَ بَعْدَ ذٰلِكَ فَاُولٰٓئِكَ هُمُ الْفٰسِقُوْنَ ۝٥٦ وَاَقِيْمُوا الصَّلٰوةَ وَاٰتُوا الزَّكٰوةَ وَاَطِيْعُوا الرَّسُوْلَ لَعَلَّكُمْ تُرْحَمُوْنَ ۝٥٧ (24:54-57)

আল্লাহ তা'লাৰ কৃপাত জামাত আহমদীয়াত খলিফাৰ ব্যৱস্থাপনা প্ৰতিষ্ঠিত হোৱাত ১১৭ বছৰ পাৰ হৈ গৈছে। ১৯০৮ চনত এই খিলাফতৰ ব্যৱস্থাপনা প্ৰতিষ্ঠিত হৈছে; আল্লাহ তা'লাৰ প্ৰতিশ্ৰুতি অনুযায়ী আৰু আঁহজৰত (ছাঃ)ৰ ভৱিষ্যদ্বাণী অনুসৰি এই ব্যৱস্থাপনা প্ৰতিষ্ঠিত হৈছে। গতিকে এইটো আল্লাহ তা'লাৰ জামাত আহমদীয়াৰ ওপৰত বহু ডাঙৰ অনুগ্ৰহ যে আমি এনে ব্যৱস্থাপনাৰ অংশীদাৰ যাৰ ভৱিষ্যদ্বাণী আল্লাহ তা'লাই কৰিছিল যে মছীহ ও মাহদীৰ আগমনৰ পিছত এনেকুৱা যুগ আৰম্ভ হ'ব যিটো হৈছে ইছলামৰ দ্বিতীয়বাৰ সতেজতাৰ যুগ। এই ব্যৱস্থাপনাত খিলাফতৰ যুগ আৰম্ভ হ'ব যাৰ সন্দৰ্ভত আঁহজৰত (ছাঃ)য়ে স্পষ্টভাৱে ভৱিষ্যদ্বাণী কৰিছিল যে আল্লাই যেতিয়ালৈকে ইচ্ছা কৰিব তেতিয়ালৈকে তোমালোকৰ মাজত নবুয়ত প্ৰতিষ্ঠিত ৰাখিব, যেতিয়া আল্লাই ইচ্ছা কৰিব তেতিয়া খিলাফতৰ ছিলছিলা উঠাই ল'ব তাৰ পিছত নবুয়তৰ পথত খিলাফত প্ৰতিষ্ঠিত হ'ব। যেতিয়া এই যুগৰ অন্ত পৰিব তাৰ পিছত আল্লাহ তা'লাই যেতিয়ালৈকে ইচ্ছা কৰিব তেতিয়ালৈকে বল প্ৰয়োগ কৰা বাদশাহৰ যুগ প্ৰতিষ্ঠিত কৰিব। ইয়াৰ পিছত আল্লাহ তা'লাই ইয়াৰো অন্ত পেলাব, তাৰ পিছত নবুয়তৰ পথত খিলাফত প্ৰতিষ্ঠিত হ'ব ইমানে কৈ তেখেত নিস্তব্ধ হৈ পৰিল। এইটো আছিল আঁহজৰত (ছাঃ)ৰ ভৱিষ্যদ্বাণী, এই অনুযায়ী আল্লাহ তা'লাৰ কৃপাত হজৰত মছীহ মাওউদ (আঃ)ৰ আগমন হোৱাৰ পিছত ইছলামৰ এটা নতুন যুগৰ আৰম্ভ হৈছে আৰু তেখেত (আঃ)ৰ মৃত্যুৰ পিছত খিলাফতৰ যুগ আৰম্ভ হৈছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে উক্ত আয়াতৰ অনুবাদ কৰাৰ পাছত কৈছে যে এই আয়াতৰ পৰা স্পষ্ট যে আল্লাহ তা'লাই মুছলমানসকলক প্ৰতিশ্ৰুতি দিছে যে তোমালোকৰ মাজত খলিফাৰ ব্যৱস্থাপনা প্ৰতিষ্ঠিত থাকিব। খুলফায়ে ৰাশিদিনৰ যুগ ৩০ বছৰলৈকে অব্যাহত আছিল। ৩০ বছৰৰ বাবেই আল্লাহ তা'লাৰ প্ৰতিজ্ঞা নাছিল বৰঞ্চ এটা পৰিপূৰ্ণ প্ৰতিজ্ঞা আছিল আৰু ইয়াৰ ব্যাখ্যা আঁহজৰত (ছাঃ)য়ে কৰি দিছে। গতিকে আহমদীসকলে এই কথা মনত ৰখা উচিত যে আমি হজৰত মছীহ মাওউদ (আঃ)ক গ্ৰহণ কৰি আল্লাহ তা'লাৰ নিৰ্দেশাৱলীৰ ওপৰত পৰিচালিত হোৱাৰ অংগীকাৰ কৰিছোঁ, কিন্তু ইয়াৰ বাবেও চৰ্তাৱলী আছে। গতিকে এই চৰ্তাৱলীক সম্পূৰ্ণ কৰাটো আমাৰ বাবে জৰুৰী।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে হে প্ৰিয়সকল! যেতিয়া প্ৰাচীন কালৰে পৰাই খোদা তা'লাৰ নীতি এইটো যে খোদা তা'লাই দুটা কুদৰত (ক্ষমতা) দেখুৱায়, যাতে বিৰোধীসকলৰ মিছা আনন্দৰ অন্ত পেলাব পাৰে...মই খোদাৰ পক্ষৰ পৰা কুদৰত (ক্ষমতা)ৰ ৰূপত প্ৰকাশ পাইছো, মই খোদা তা'লাৰ এক ভৌতিক ক্ষমতাবান হওঁ, মোৰ পিছত আৰু অন্যান্য অস্তিত্ব প্ৰকাশ পাব যিসকল দ্বিতীয় কুদৰতৰ প্ৰকাশস্থল হ'ব। সেয়েহে তোমালোকে খোদা তা'লাৰ দ্বিতীয় কুদৰতৰ অপেক্ষাত একত্ৰিত হৈ দোৱা কৰি থকা। গতিকে প্ৰত্যেক পুণ্যবানৰ জামাত একত্ৰিত হৈ এটা দেশত একত্ৰিত কৰি দোৱা কৰাত অব্যাহত থকা যাতে দ্বিতীয় কুদৰত আকাশৰ পৰা অৱতীৰ্ণ হয়। সেই সময়ত তেখেতে এয়া কৈছিল যে হিন্দুস্থানত জামাত আছিল

আৰু হিন্দুস্থানৰ বাহিৰত কেৱল অল্প সংখ্যক জামাত আছিল; কিন্তু এই ভৱিষ্যদ্বাণী তেখেতে এনেদৰে কৰিছিল যে প্ৰতিটো দেশতে এই দোৱা কৰি থাকিব যে পৰৱৰ্তী যুগত পৃথিৱীৰ প্ৰত্যেক ঠাইত জামাত আহমদীয়া বিস্তাৰ লাভ কৰিব আৰু আজি আমি সেই যুগ চাই আছো যে সমগ্ৰ দেশতে জামাত আহমদীয়া বিস্তাৰ লাভ কৰিছে আৰু প্ৰত্যেক ঠাইতে খিলাফতৰ সহানুভূতি, প্ৰেম আৰু ভালপোৱাৰ সম্পৰ্ক দেখিবলৈ পোৱা গৈ আছে; পৰৱৰ্তীতো আল্লাহ তা'লাই নিজৰ কৃপা আৰু বৰকত প্ৰদান কৰি থাকিব কাৰণ এইটো আল্লাহ তা'লাৰ অংগীকাৰ। গতিকে আমি খিলাফতৰ সৈতে সম্পৰ্ক স্থাপন কৰা উচিত তথা খিলাফতৰ ধাৰাবাহিকতা প্ৰতিষ্ঠিত ৰখাৰ বাবে প্ৰত্যেক ধৰণৰ কোৰবাণী কৰাৰ বাবে প্ৰস্তুত থকা উচিত।

কিছুমান লোকসকলৰ ধাৰণা যে খিলাফত দেশৰ জামাত সমূহত বিভাজন হৈ পৰিব। এই সন্দৰ্ভত হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কঠোৰভাৱে ইয়াক খণ্ডন কৰি কৈছে যে দেশত জামাত আহমদীয়াৰ বিভাজন নহ'ব যেতিয়ালৈকে আধ্যাত্মিকতা আৰু তাকওৱা থাকিব। ইনশা আল্লাহ- খিলাফতৰ ব্যৱস্থাপনা সেই ব্যৱস্থাপনা যি আল্লাহ তা'লাৰ ইচ্ছানুযায়ী প্ৰতিষ্ঠিত হৈছে আৰু সেই অনুযায়ী অব্যাহত থাকিব; কোনো ধৰণৰ জাগতিক বাদশ্বাহ ইয়াৰ মাজত হস্তক্ষেপ নাথাকিব। যুগৰ খলিফাই ৰাতি জামাতৰ সদস্যসকলৰ বাবে দোৱা কৰে, কোনো বাদশ্বাই এনেকুৱা কৰে নে ? গতিকে এই কথা আমি মনত ৰাখি ইয়াৰ ওপৰত পৰিচালিত হোৱা উচিত তেতিয়াহে আমি সফল হ'ব পাৰিম। খিলাফতৰ এইটো এটা এনেকুৱা ব্যৱস্থাপনা আল্লাহ তা'লাই নিজেই ইয়াৰ সুৰক্ষা কৰে। এনেকুৱাই ঐশ্বৰিক সমৰ্থন আৰু সহায় সহযোগিতা সদায় আমি খলিফাৰ যুগত দেখা পাইছো। আজি বিশ্বৰ মাজত জামাত আহমদীয়াৰ মাজতেই খিলাফতৰ ব্যৱস্থা অব্যাহত আছে; আল্লাহ তা'লাৰ কৃপাত জামাতৰ সৈতে তথা খিলাফতৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ কাৰণেই তেওঁলোকৰ ওপৰত আল্লাহৰ কৃপা বৰ্ষিত হৈছে। শত্ৰুসকলৰ ফালৰ পৰা জামাত আহমদীয়াৰ ওপৰত বহু কষ্ট আৰু অত্যাচাৰ চলাই আছে, বিশেষকৈ পাকিস্তানত আৰু অন্যান্য দেশতো তথাপি আল্লাহ তা'লাৰ কৃপাত সকলোৱে নিজৰ ঈমানৰ ওপৰত দৃঢ় হৈ আছে, ইমান কষ্ট পোৱা সত্ত্বেও কৈ আছে যে এই অত্যাচাৰ আৰু কষ্টই আমাক ধৰ্মৰ পৰা পৃথক কৰিব নোৱাৰে, ইয়াৰ পৰিৱৰ্তে আল্লাহ তা'লা আমাৰ আৰু আমাৰ পৰিয়ালবৰ্গৰ ওপৰত অনুগ্ৰহৰ যি বৰষুণ বৰ্ষণ কৰি আছে ইয়াৰ সৈতে কোনেও মোকাবিলা কৰিব নোৱাৰে।

গতিকে আমি যদি বাস্তৱ কল্যাণ পাব বিচাৰো, খলিফাৰ কল্যাণ লাভ কৰিব বিচাৰো তথা আল্লাহ তা'লাৰ কৃপাৰ উত্তৰাধিকাৰী হ'ব বিচাৰো তেতিয়া আমি প্ৰত্যেক ধৰণৰ শ্বিৰক, গৌৰৱ আৰু অহংকাৰৰ পৰা আঁতৰত থাকিব লাগিব আৰু ইয়াৰ পৰা নিজকে বিশুদ্ধ কৰিব লাগিব। আল্লাহ তা'লাই আকৌ কৈছে যে এই লোকসকল এনেকুৱা যিসকলে নামাজ প্ৰতিষ্ঠিত কৰে আৰু জাকাত আদায় কৰে। প্ৰতিজন আহমদীয়ে আল্লাহ তা'লাৰ এই নিৰ্দেশ মনত ৰখা উচিত। প্ৰতিজন আহমদী যিয়ে নিজকে খিলাফতৰ সৈতে সংশ্লিষ্ট আৰু সংযোগ বুলি ভাৱে আৰু

খিলাফতৰ কল্যাণৰ পৰা কল্যাণ লাভ কৰিব বিচাৰে তেওঁৰ এই কথা সন্মুখত ৰাখিব লাগিব যে আমি নামাজ প্ৰতিষ্ঠাৰ প্ৰতি বৰ মনোযোগ দিব লাগিব।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে নামাজ প্ৰতিষ্ঠাৰ ব্যাখ্যা কৰি এঠাইত কৈছে যে নামাজৰ উত্তম অংশ হৈছে জুমাৰ নামাজ য'ত ইমামে খোতবা প্ৰদান কৰে আৰু উপদেশ দিয়ে, যাৰ ফলত জাতিৰ মাজত ঐক্যতা প্ৰতিষ্ঠিত হয়। সকলোৱে কিবলা এফালে থাকে। আজিকালি ইছলামিক ইতিহাসৰ ওপৰত আলোচনা কৰি আছো, আঁহজৰত (ছাঃ)ৰ জীৱনী সন্দৰ্ভত আলোচনা কৰি আছো ইয়াৰ মাজত বহু কথা এনেকুৱা আহি যায় যি আমাৰ বাবেও উপদেশ হয় আৰু লোক সকলেও ইয়াৰ পৰা উপকৃত হৈ আছে। ইয়াৰ বাহিৰেও লোকসকলে ইছলামৰ ইতিহাসৰ বিষয়ে অৱগত হৈ আছে। গতিকে খিলাফত এনেকুৱা মাধ্যম যাৰ জৰিয়তে আল্লাহ তা'লাই ঐক্যবদ্ধ জামাত সৃষ্টি কৰিছে, পৃথিৱীৰ ২১৫ দেশৰ প্ৰতিজন আহমদীয়ে ঐক্যবদ্ধ হৈ ব্যৱস্থাপনাৰ সৈতে সম্পৰ্ক স্থাপন কৰি নিজৰ সংস্কাৰৰ বাবে প্ৰয়াস কৰে। আল্লাহ তা'লাই জাকাত আদায় কৰাৰো নিৰ্দেশ দিছে, নিজৰ সম্পত্তিক পৱিত্ৰ কৰাৰ বাবে এইটো আদায় কৰা জৰুৰী, ইয়াৰ মাজত আন আন আৰ্থিক কোৰবাণীও অন্তৰ্ভুক্ত। জামাত আহমদীয়াৰ জৰিয়তে এই আৰ্থিক কোৰবাণীৰ ধাৰাবাহিকতা অব্যাহত থকাটো চাই আছো।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে কিছুমান ঠাইৰ অৱস্থা এনেকুৱা যে তাতে কঠোৰতা প্ৰয়োগ কৰি আছে, কিন্তু যিসকল আহমদী তেওঁলোকে এই সমস্যাৱলী চাইয়ো আল্লাহৰ ধন্যবাদ জ্ঞাপন কৰি কয় যে আমাৰ মাজত খিলাফত প্ৰতিষ্ঠিত আছে যিয়ে আমাক সান্তনা দিয়ে আৰু আমাৰ প্ৰয়োজনীয়তা পূৰ্ণ কৰাৰ বাবে প্ৰয়াস কৰে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে পৃথিৱীত বহু ধৰণৰ ঘটনা সংঘটিত হ'ব। কিছুমান প্ৰাকৃতিক প্ৰলয়ৰ ঘটনা, কিছু মানুহৰ ভুলৰ বাবে যুদ্ধ হৈ আছে আৰু বিশৃংখলা সৃষ্টি হৈ আছে। এই লোকসকলে এতিয়াও যদি আল্লাহ তা'লাৰ ফালে নত নহয় তেতিয়া ধ্বংস আহিব যাৰ সম্বন্ধে হজৰত মছীহ মাওউদ (আঃ)য়ে কেইবাবাৰ ভৱিষ্যদ্বাণী কৰিছে। সেয়ে খিলাফতৰ ব্যৱস্থাপনাৰ সৈতে সম্পৰ্ক স্থাপন কৰা সকলৰ কৰ্তব্য যে আমি পৃথিৱীখন ধ্বংসৰ গ্ৰাসৰ পৰা সুৰক্ষা কৰিব লাগিব তথা জগতবাসীক আল্লাহৰ ফালে অনাৰ বাবে সম্পূৰ্ণৰূপে প্ৰয়াস কৰিব লাগিব আৰু বাৰ্তা পৌচাবৰ বাবে পদ্ধতি সমূহ দক্ষতা অনুযায়ী চেষ্টা কৰিব লাগিব আৰু ইয়াৰ বাবে প্ৰাণ সম্পদ কোৰবাণ কৰাৰ বাবে সদায় প্ৰস্তুত থাকিব। এইদৰে খোদাৰ সৈতে সম্পৰ্ক বৃদ্ধি কৰিব। আল্লাহ তা'লাৰ বিশেষ কৃপা প্ৰতিজন আহমদীৰ ওপৰত আৰু নিজৰ বংশধৰ সকলৰ ওপৰত বৰ্ষিত হওঁক; বিপদ আৰু ধ্বংসৰ ভয়ানক ৰূপ ধাৰণ কৰি আছে নাজানো পৰৱৰ্তীত কেনেকুৱা ৰূপ ধাৰণ কৰিব মানুহে সেয়া ধাৰণাও কৰিব নোৱাৰে। গতিকে সদায় মনত ৰাখিব যে খিলাফতে আহমদীয়াৰ সম্পৰ্ক স্থাপন কৰাতেই এতিয়া মানুহৰ জীৱন নিহিত।

হুজুৰ আনোৱাৰ (আইঃ)য়ে হজৰত মছীহ মাওউদ (আঃ)ৰ এটা উদ্ধৃতি উত্থাপন কৰি কৈছে

যে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছিল যে আল্লাহ তা'লাই মোৰ সৈতে অংগীকাৰ কৰিছে যে এই জগতখনৰ অন্ত নপৰিব যেতিয়ালৈকে আল্লাহ তা'লাই মোৰ সকলোবোৰ প্ৰতিশ্ৰুতি পূৰ্ণ নকৰে; কিছু মোৰ জীৱন কালতেই সম্পূৰ্ণ কৰিব আৰু কিছু মোৰ জীৱনৰ পিছত। গতিকে আমাৰ প্ৰতিজনৰ কাম এয়া যে খোদাৰ মহানতা নিজৰ হৃদয়ত স্থান দিয়া আৰু খোদা তা'লাৰ একত্ববাদ পৰিপূৰ্ণ আনুগত্যৰ সৈতে আদৰ্শ দেখুৱাই বিশ্বাস বৃদ্ধি কৰিব লাগিব। আল্লাহ তা'লা আমাক ইয়াৰ সৌভাগ্য দান কৰক যে আমাৰ প্ৰতিজন সদস্যই খিলাফত আহমদীয়া প্ৰতিষ্ঠিত ৰখাৰ বাবে প্ৰত্যেক ধৰণৰ কোৰবাণী কৰাৰ বাবে প্ৰস্তুত থাকে, আৰু যি অংগীকাৰ কৰিছে সেয়া পূৰ্ণ কৰে। আল্লাহ তা'লা আমাৰ যুগত এনেকুৱা যুগ লৈ আহক যে আমি চাব পাৰো যে পৃথিৱীত আল্লাহ তা'লাৰ একত্ববাদৰ পতাকা উত্তোলণ হয় আৰু আঁহজৰত (ছাঃ)ৰ দাসত্বত লোক দলে দলে আহে আৰু আল্লাহ তা'লাৰ পৰিপূৰ্ণ আনুগত্য স্বীকাৰ কৰাৰ চেষ্টা কৰে, তেতিয়াহে আমি সেই দিন চাব পাৰিম যি কল্যাণময় হ'ব। যেতিয়া আমি ক'ম যে খিলাফত আল্লাহ তা'লাৰ অংগীকাৰ আছিল, ইয়াৰ কল্যাণৰ পৰা আমি উপকৃত হৈ আছো, তেতিয়াহে আমি পৃথিৱীক ধ্বংসৰ গ্ৰাসৰ পৰা ৰক্ষা কৰিব পাৰিম। আল্লাহ তা'লা আমাক নিজকে সংস্কাৰ হোৱাৰ সৌভাগ্য দান কৰক, আৰু আল্লাহ তা'লাৰ পয়গাম পৃথিৱীত পৌচাবৰ সৌভাগ্য দান কৰক।

হুজুৰ আনোৱাৰ (আইঃ)য়ে শেষত মাননীয় কৰনাল ডাক্তৰ পীৰ মহম্মদ মনিৰ চাহাব প্ৰাক্তন এডমিনিষ্টাৰ ফজলে উমৰ হাস্তপাতাল ৰাবৱা আৰু মাননীয়া ছলিমা জাহিদ চাহিবা ছামিউল্লাহ জাহিদ চাহাব মুবাল্লিগ ছিলছিলা কেনেডাৰ স্ত্ৰীৰ নামাজে জানাজা পঢ়াৰ ঘোষণা কৰে আৰু প্ৰয়াত সকলৰ সদগতি আৰু মৰ্যাদা উন্নীত হোৱাৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهٗ وَنَشْهَدُ اَنْ لَّآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَاللّٰه رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 30 MAY 2025

**BOOK POST (PRINTED MATTER)**

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................